# 2022

( Held in 2023 )

## ASSAMESE

Paper : ASMHE5016

**( Introduction to Assamese Romantic and Modern Poetry )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটো হ'ল

*(i)* বীণ-ব'ৰাগী

*(ii)* জলকুঁৱৰী

*(iii)* বনকুঁৱৰী

*(iv)* বিপ্লৱী

(খ) প্ৰথম অসমীয়া ছনেট লিখা কবিগৰাকী হ'ল

*(i)* হেমচন্দ্ৰ গোস্বামী

*(ii)* হিতেশ্বৰ বৰবৰুৱা

*(iii)* হেম বৰুৱা

*(iv)* দেৱকান্ত বৰুৱা

(গ) যতীন্দ্ৰনাথ দুৱৰাই কোনখন কবিতাপুথিৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰে?

(i) বনফুল

(ii) বনকুঁৱৰী

(iii) আপোন সুৰ

(iv) মৰমৰ সুৰ

(ঘ) 'দোমোজাৰ কবি' বুলি কোনগৰাকী কবিক কোৱা হয়?

(i) নৱকান্ত বৰুৱা

(ii) হেম বৰুৱা

(iii) দেৱকান্ত বৰুৱা

(iv) বিনন্দচন্দ্ৰ বৰুৱা

(ঙ) অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ ভাৱধাৰা কঢ়িয়াই অনা আলোচনীখন হ'ল

(i) অৰুণোদয়

(ii) জোনাকী

(iii) বাঁহী

(iv) ৰামধেনু

(চ) 'ধ্বনি কবি' বুলি কোনগৰাকী কবিক কোৱা হয়?

(i) বিনন্দচন্দ্ৰ বৰুৱা

(ii) যতীন্দ্ৰনাথ দুৱৰা

(iii) হিতেশ্বৰ বৰবৰুৱা

(iv) দেৱকান্ত বৰুৱা





২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাত ফুটি উঠা প্ৰধান সুৰ দুটা কি কি?

(খ) নলিনীবালা দেৱীয়ে কোনখন কবিতাপুথিৰ বাবে, কোন চনত সাহিত্য একাডেমী বঁটা লাভ কৰিছিল?

(গ) ''কবিতা হয় যদি হওঁক নহয় যদি নহওঁক''—বুলি কোনে কৈছিল? তেওঁৰ এখন কবিতাপুথিৰ নাম লিখা।

(ঘ) অসমীয়া সাহিত্যৰ দুগৰাকী অতীন্দ্ৰিয়বাদী কবিৰ নাম লিখা।

(ঙ) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটো কোনখন কাকতত প্ৰকাশ পাইছিল? কাকতখনৰ প্ৰথম সম্পাদকজনৰ নাম লিখা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) আধুনিক কবিতা হিচাপে 'মমতাৰ চিঠি' কবিতাটো আলোচনা কৰা।

(খ) অসমীয়া সাহিত্যত কোনগৰাকী কবিক 'বিহগী' কবি বোলা হয় আৰু কিয় কোৱা হয়, আলোচনা কৰা।

(গ) 'নাটঘৰ' কবিতাটোৰ মাজেৰে অতীন্দ্ৰিয়বাদী ভাৱধাৰা কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঘ) অসমীয়া সাহিত্যত কিদৰে ৰোমাণ্টিক চেতনাৰ উন্মেষ ঘটিল, আলোচনা কৰা।

(ঙ) কবি নৱকান্ত বৰুৱাৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(চ) 'কেতেকী' কবিতাটোৰ মাজেৰে কবি ৰঘুনাথ চৌধাৰীৰ চৰাইৰ প্ৰতি থকা মৰম কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ছ) 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি' কবিতাটিৰ অন্তর্নিহিত ভাৱ বুজাই লিখা।

(জ) অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ মাজেৰে জাতীয় চেতনা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঝ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটিৰ মাজেৰে নাৰী মনস্তত্ত্ব কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) 'পথাৰ' কবিতাটিৰ মাজেৰে কবি ৰাম গগৈদেৱে শ্ৰমজীৱী মানুহৰ ইতিহাস কিদৰে দাঙি ধৰিছে, আলোচনা কৰা।

(খ) হেম বৰুৱাৰ কবি-প্ৰতিভাৰ পৰিচয় দাঙি ধৰি 'মমতাৰ চিঠি' কবিতাৰ মাজেৰে ফুটি উঠা বৈধব্য যন্ত্ৰণাৰ ছবিখন দাঙি ধৰা।

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবি-প্ৰতিভা দাঙি ধৰি 'বীণ-ব'ৰাগী' কবিতাটিত ফুটি উঠা অতীতপ্ৰীতি সম্পৰ্কে আলোচনা কৰা।





৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) ৰোমাণ্টিকতাৰ লক্ষণসমূহ বিশ্লেষণ কৰি 'অতীতক নাযাবা পাহৰি' কবিতাটো ৰোমাণ্টিক কবিতা হয় নে নহয়, আলোচনা কৰা।

(খ) আধুনিক কবিতাৰ লক্ষণসমূহ বিশ্লেষণ কৰি 'এই উচুপনিবোৰ কাণ পাতি শুনিবা' কবিতাটিত আধুনিক কবিতাৰ কোনবোৰ বিশেষত্ব ফুটি উঠিছে, বিচাৰ কৰা।

★★★